প্ৰতি

# সুৰেন দাস কলেজৰ প্ৰতিষ্ঠা দিৱস পালন

ত্ৰৰ



আমাৰ বিশেষ খবৰ, হাজো, ৩০ আগষ্ট ঃ হাজোৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান সুৰেন দাস কলেজৰ ৩৯সংখ্যক প্ৰতিষ্ঠা দিৱস ২৯ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। পুৱা ৯ বজাত কলেজখনৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই পতাকা উত্তোলন কৰাৰ পাছতে চৌহদৰ বৃক্ষৰোপণ কৰে ১ নং গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি আৰু সহযোগী অধ্যাপিকা ড° বীণাপাণি তালুকদাৰে। ১০ বজাত প্ৰয়াত সুৰেন দাসৰ প্ৰতিকৃতিত কলেজখনৰ ভৱন দাতা যাদৱ দাসে মাল্যাৰ্পণ কৰাৰ পাছতে শ্বহীদ তৰ্পণ কৰে ধোপৰগুৰি সত্ৰৰ পৰিচালনা সমিতিৰ সভাপতি মোহন চন্দ্ৰ মালাকাৰে। ইয়াৰ পাছতে কলেজখনৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিনীতা দাসৰ ৰচনা আৰু পৰিচালনাত ড্ৰাগছ্-গুটখাৰ যুৱ-প্ৰজন্মৰ ওপৰত নেতিবাচক প্ৰভাৱ সন্দৰ্ভত এখনি বাটৰ নাট প্ৰদৰ্শন কৰে। দিনৰ এক বজাৰ পৰা ড° প্ৰবীণ চন্দ্ৰ দাসৰ পৌৰোহিত্যত 'উচ্চ শিক্ষা আৰু অসম' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অন্নদাচৰণ ভাগৱতীয়ে অংশগ্ৰহণ কৰে। পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী-অভিভাৱক তথা অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰা এই সভাতেই ২০১৭ বৰ্ষত উচ্চতৰ মাধ্যমিক কলা, বিজ্ঞান শাখা আৰু স্নাতক পৰীক্ষাত সুনাম কঢ়িয়াই অনা ২৩গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা-মানপত্ৰ আৰু পিতলৰ শৰাইৰে বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়।

পৰলোকপ্ৰাপ্তি

শিক্ষানৰ কামৰ উচ্চ